## ধেমাজি মহাবিদ্যালয়ৰ ৫৮ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন ঃ
## 'মোৰ মহাবিদ্যালয়, মোৰ পৰিচয়, মোৰ দায়িত্ব' –
## শীৰ্ষক চিন্তা গঠনত গুৰুত্ব মূল বক্তা প্ৰাধ্যাপক ড° হৰিপ্ৰসাদ শৰ্মাৰ

বৃহত্তৰ ধেমাজি অঞ্চলৰ উচ্চ শিক্ষাৰ অগ্ৰণী অনুষ্ঠান ধেমাজি মহাবিদ্যালয়ৰ গৌৰৱোজ্জ্বল ৫৮ সংখ্যক প্ৰতিষ্ঠা দিৱস বৰ্ণাঢ্য কাৰ্যসূচীৰে যোৱা ১ আগষ্টত অনুষ্ঠিত কৰা হয়। পুৱা ৮.৩০ বজাত মহাবিদ্যালয়ৰ পতাকা উত্তোলন কৰি দিৱসৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে অধ্যক্ষ ড° দীপক কুমাৰ নেওগে। মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠাৰ লগত জড়িত প্ৰতিগৰাকী ব্যক্তিৰ শ্ৰম, কষ্ট আৰু ত্যাগক অধ্যক্ষ ড° নেওগে পতাকা উত্তোলন স্থলীৰপৰা সন্মানসহকাৰে স্মৰণ কৰাৰ লগতে তেওঁলোকক কৃতজ্ঞতা জনায় আৰু মহাবিদ্যালয় পৰিয়ালৰ প্ৰতিগৰাকী অংশীদাৰীক প্ৰতিষ্ঠা দিৱসৰ শুভেচ্ছা জ্ঞাপন কৰে। ইয়াৰ পাছতে শ্বহীদ তৰ্পণ কাৰ্যসূচীৰ আঁতধৰে উপাধ্যক্ষ ড° অন্নজ্যোতি গগৈয়ে। শিক্ষানুষ্ঠান তথা চৰকাৰী কাৰ্যালয়সমূহত অসম চৰকাৰৰ আহ্বানমৰ্মে ৰূপায়িত হৈ থকা বৃক্ষৰোপণ কাৰ্যসূচীৰ লগত সংগতি ৰাখি মহাবিদ্যালয় প্ৰাংগণত ইক' ক্লাবৰ উদ্যোগত বৃক্ষৰোপণৰ এক কাৰ্যসূচীও অনুষ্ঠিত কৰা হয়। আন এক কাৰ্যসূচীত ২০২১-২২ শিক্ষা বৰ্ষৰ ছাত্ৰ একতা সভাৰ উদ্যোগত মহাবিদ্যালয়খনত স্থাপন কৰা প্ৰাক্তন ছাত্ৰ, ভাস্কৰ্য শিল্পী প্ৰবীৰ গগৈৰদ্বাৰা নিৰ্মিত সৰস্বতী দেৱীৰ আধ্যাত্মিক প্ৰতিমূৰ্ত্তি অধ্যক্ষ ড° দীপক কুমাৰ নেওগে শুভ উন্মোচন কৰে। মহাবিদ্যালয়ৰ মূল প্ৰৱেশদ্বাৰৰ সমীপত প্ৰাক্তন ছাত্ৰী দীপামণি বৰুৱা আৰু প্ৰাক্তন ছাত্ৰ প্ৰবীৰ গগৈয়ে প্ৰদান কৰা অসম গৌৰৱ এশিঙীয়া গঁড়ৰ প্ৰতিমূৰ্ত্তি উন্মোচন কৰে মহাবিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাধ্যাপক ড° শৰৎ চন্দ্ৰ কাকতিয়ে। একেটা অনুষ্ঠানতে উদ্ভিদ বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ড° ভাস্কৰ শৰ্মাৰ তত্বাৱধানত স্থাপিত থলুৱা বীজ ভঁৰাল 'জেনেচিচ-ডিচি দ্যা চীড ভল্ট' উদ্বোধন কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাধ্যাপক ড° হৰিপ্ৰসাদ শৰ্মাই। তেওঁ উদ্ভিদ বিজ্ঞান বিভাগৰ তত্বাৱধানত স্থাপিত স্থানীয় অৰ্কিড, বিভিন্ন জাতৰ ঢেঁকীয়া আৰু ঔষধী উদ্ভিদ সংৰক্ষণৰ সেউজ গৃহ 'কপৌ' উদ্বোধন কৰে। দুপৰীয়া ১২.৩০ বজাৰপৰা অধ্যক্ষ ড° দীপক কুমাৰ নেওগৰ পৌৰহিত্যত দিৱসৰ মুকলি সভা অনুষ্ঠিত হয়। আয়োজক সমিতিৰ সমন্বয়ক, অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপক অতুল শইকীয়াই উদ্দেশ্য ব্যাখ্যা কৰা সভাখনৰ আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰে মুখ্য অতিথি ড° হৰিপ্ৰসাদ শৰ্মাই। দৰ্শন বিভাগৰ সহকাৰী অধ্যাপক শৈলেন বৰকাকতিয়ে আঁতধৰা সভাখনত মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলে এটি সমবেত সংগীত পৰিৱেশন কৰে। মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠা লগ্নৰ তথা অৱসৰপ্ৰাপ্ত শিক্ষক-কৰ্মচাৰী, প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলক সভাৰ আৰম্ভণিতে মহাবিদ্যালয় পৰিয়ালৰ হৈ অধ্যক্ষ ড° দীপক কুমাৰ নেওগে একোখনকৈ ফুলাম গামোচাৰে সম্বৰ্ধনা জ্ঞাপন কৰে। অধ্যক্ষ ড° দীপক কুমাৰ নেওগে তেওঁৰ আদৰণী ভাষণত ধেমাজি মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা লগ্নৰপৰা বৰ্তমানলৈকে উত্তৰণৰ ইতিহাস দাঙি ধৰে। প্ৰতিষ্ঠা দিৱসৰ মূল ভাষণত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত ৰেক্টৰ তথা পৰিৱেশ বিজ্ঞান বিভাগৰ মুৰব্বী প্ৰাধ্যাপক ড° হৰিপ্ৰসাদ শৰ্মাই ধৰিত্ৰী সুৰক্ষাৰ উদ্দেশ্যে প্ৰতিখন সভাৰ আৰম্ভণিতে এক মিনিট সময় মৌনতা অৱলম্বনৰ আহ্বান জনায়। মহাবিদ্যালয় পৰিয়ালৰ সকলোকে 'মোৰ মহাবিদ্যালয়, মোৰ পৰিচয়, মোৰ দায়িত্ব' – এই চিন্তা গঠনত তেওঁ গুৰুত্ব দিয়ে। ড° শৰ্মাই তেওঁৰ ভাষণত 'নাক'ৰ মূল্যায়নত উচ্চ শিক্ষা প্ৰতিষ্ঠানৰ কৰণীয় বিভিন্ন দিশ উন্মোচন কৰে। বিশিষ্ট পৰিৱেশবিদ ড° শৰ্মাই প্ৰদূষণ নিয়ন্ত্ৰণ, ধৰিত্ৰী সংৰক্ষণ আদি বিভিন্ন বিষয়তো আলোকপাত কৰি সৰস ভাষণ আগবঢ়ায়। সভাত অংশগ্ৰহণ কৰি মহাবিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাধ্যাপক ড° শৰৎ চন্দ্ৰ কাকতিয়েও 'নাক'ৰ তৃতীয় মূল্যায়নৰ বাবে আগবঢ়া ধেমাজি মহাবিদ্যালয় পৰিয়ালৰ দায়িত্ব আৰু কৰ্তব্যৰ লগত সংগতি ৰাখি 'নাক'ৰ মূল্যায়নত অনুসৰণ কৰিবলগীয়া বিভিন্ন দিশ বিস্তৃতভাৱে ব্যাখ্যা কৰে। সভাত অৰ্থনীতি বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক গোবিন চন্দ্ৰ মেদকে ধেমাজি মহাবিদ্যালয়ত কৰ্মজীৱনৰ স্মৃতিচাৰণ কৰাৰ লগতে নতুন শিক্ষানীতি-২০২০ আৰু শিক্ষাৰ উদ্দেশ্য সম্পৰ্কে বক্তব্য আগবঢ়ায়। মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠা লগ্নৰ শিক্ষক, সাহিত্যিক পেন্সনাৰ উমেশ চন্দ্ৰ চেতিয়া, ৰাজনীতি বিজ্ঞান বিভাগৰ প্ৰথম স্নাতক প্ৰাক্তন ছাত্ৰ আনন্দ ৰাম বড়া, মহাবিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ সমাৰোহৰ সভাপতি কৃষ্ণ বৰদলৈ, শিক্ষক গোটৰ সভাপতি কুমুদ বৰা আদিয়েও সভাত মত ব্যক্ত কৰে।

(অতুল শইকীয়া)
সমন্বয়ক
উদ্‌যাপন সমিতি
৫৮ সংখ্যক প্ৰতিষ্ঠা দিৱস